জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭১৭/২০২০

# বিশিষ্ট মুক্তিযোদ্ধা, প্ৰাক্তন বিধায়ক ভুৱনেশ্বৰ বৰ্মনৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৩১ অক্টোবৰ ঃ** বিশিষ্ট মুক্তিযোদ্ধা, প্ৰাক্তন বিধায়ক ভুৱনেশ্বৰ বৰ্মনৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে দেশৰ স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰি প্ৰয়াত ভুৱনেশ্বৰ বৰ্মনে স্বদেশপ্ৰেমৰ যি নিদৰ্শন দেখুৱাই গ'ল সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। পাটাছাৰকুছি সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হোৱা প্ৰয়াত বৰ্মনে সমষ্টিটোৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা যোগাই গৈছে। প্ৰয়াত বৰ্মনে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ ক্ষেত্ৰটো উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে। অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ-সমিতিৰ বহু বছৰ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি ৰাষ্ট্ৰভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰটো তেখেতে যথেষ্ট অৰিহণা যোগাই গৈছে।তেখেতৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ভুৱনেশ্বৰ বৰ্মনৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**৩১/১০/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in